# গোৱালপাৰা কলেজক ৰাষ্ট্ৰসংঘৰ উঃপূঃৰ শ্ৰেষ্ঠ কেন্দ্ৰ হিচাপে ঘোষণা

## অধ্যক্ষ সুভাষ বৰ্মনক মানপত্ৰ প্ৰদান

**প্ৰতিদিন বিশেষ সেৱা, গোৱালপাৰা, ১২ ছেপ্টেম্বৰ** ঃ গোৱালপাৰা মহাবিদ্যালয়ক ৰাষ্ট্ৰসংঘৰ উত্তৰ-পূৰ্বাঞ্চলৰ শ্ৰেষ্ঠ কেন্দ্ৰ হিচাপে ঘোষণা কৰা হয়। যোৱা ৮ ছেপ্টেম্বৰত ইণ্ডিয়ান ফেডাৰেচন অব্ ইউনাইটেড নেচনছ এছ'চিয়েচনৰ সহযোগত গোৱালপাৰা মহাবিদ্যালয়ত আন্তৰ্জাতিক সাক্ষৰতা দিৱস ■ ৮ পৃষ্ঠাত

**বৰপেটাৰ অম্বিকাগিৰী সমবায় সমিতিৰ সম্পাদক**

# গুণজিৎ কলিতা নিখোজ



**প্ৰতিদিন সংবাদ, বৰপেটা, ১২ ছেপ্টেম্বৰ** ঃ বৰপেটাৰ অম্বিকাগিৰী সমবায় সমিতিৰ সম্পাদক তথা পাটবাউসী নিবাসী যুৱক গুণজিৎ ■ ৮ পৃষ্ঠাত

# গোৱালপাৰা কলেজক ৰাষ্ট্ৰসংঘৰ উঃপূঃৰ শ্ৰেষ্ঠ কেন্দ্ৰ হিচাপে

উদ্‌যাপন কৰা হয়। গোৱালপাৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুভাষ বৰ্মনে অধ্যক্ষতা কৰা অনুষ্ঠানটোত সমন্বয়ক হিচাপে উপস্থিত থাকে মহাবিদ্যালয়ৰ ভূগোল-বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপিকা ৰশ্মি হাজৰিকা। যোৰহাট আঞ্চলিক গৱেষণা কেন্দ্ৰৰ প্ৰাক্তন বিজ্ঞানী তথা ইউ এছ টি এমৰ উপদেষ্টা ড° ৰবীন কুমাৰ শৰ্মা, ৰাষ্ট্ৰসংঘৰ উত্তৰ-পূৰ্বাঞ্চলৰ কাৰ্যবাহী সঞ্চালক ড° অশ্বিনী কুমাৰ শৰ্মাই অংশগ্ৰহণ কৰে। মহাবিদ্যালয়ৰ বিভিন্ন বিভাগৰ অধ্যাপক-অধ্যাপিকা তথা ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত অধ্যক্ষ ড° সুভাষ বৰ্মনে সাক্ষৰতাৰ গুৰুত্ব তথা প্ৰতিগৰাকী ব্যক্তিৰ স্বতন্ত্ৰ আৰু সামাজিক অধিকাৰ আৰু সচেতনতাৰ বিষয়ে আলোকপাত কৰে। অধ্যক্ষগৰাকীয়ে মানুহৰ জীৱনত সাক্ষৰতা খাদ্যৰ দৰেই প্ৰয়োজনীয় বুলি উল্লেখ কৰে। অনুষ্ঠানত গোৱালপাৰা মহাবিদ্যালয়ক ৰাষ্ট্ৰসংঘৰ উত্তৰ-পূৰ্বাঞ্চলৰ শ্ৰেষ্ঠ কেন্দ্ৰ হিচাপে ঘোষণা কৰি ড° অশ্বিনী কুমাৰ শৰ্মাই আনুষ্ঠানিকভাৱে মহাবিদ্যালয়ৰ অধ্যক্ষগৰাকীক উক্ত মানপত্ৰ প্ৰদান কৰে। গোৱালপাৰা মহাবিদ্যালয়ৰ এই স্বীকৃতি নিসন্দেহে বৃহত্তৰ গোৱালপাৰা অঞ্চলৰ বাবে বহু উন্নয়নমূলক সংযোগ তথা সম্ভাৱনাৰ বাটকটীয়া হৈছে। অনুষ্ঠানটোত ৰাষ্ট্ৰসংঘৰ ইউনেস্কৰ স্বীকৃত কেন্দ্ৰ হিচাপে ভৱিষ্যতৰ কামৰ পৰিসৰ, সহযোগিতাৰ ক্ষেত্ৰসমূহ, প্ৰচাৰমূলক কাৰ্য তথা ৰাষ্ট্ৰসংঘ তথা ইউনেস্কৰ প্ৰতিনিধি প্ৰেৰণ আদি বিষয়তো বিস্তৃত আলোচনা কৰা হয়।